# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 22-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ধেমাজি আৰু ঢকুৱাখানাত ৰূপায়িত ২৭৪ টাৰো অধিক কল্যানমূলক প্ৰকল্পৰ পৰ্যালোচনা চলায়। বৈঠকত জিয়াঢল, মৰিঢল, গাইনৈৰ সুঁতিয়ে সৃষ্টি কৰা বান পৰিস্থিতি, ধেমাজি নগৰত সন্মিলন কেন্দ্ৰ নিৰ্মাণ, নলা-নৰ্দমা নিৰ্মাণ, ধেমাজি আৰু গোগামুখ চক্ৰত সীমা সমস্যা সমাধানকে ধৰি বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত লোকনিৰ্মাণ, জলসম্পদ, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, শক্তি, স্বাস্থ্য, কৃষিকে ধৰি বিভিন্ন বিভাগৰ অধীনত চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পৰো অগ্ৰগতিৰ বুজ লয়। ইয়াৰ লগতে জোনাইৰ পৰা মাজুলীলৈ পথযুক্ত মথাউৰিৰ উন্নীতকৰণ, অসমমালা আঁচনিৰ অধীনত বিভিন্ন পথ নিৰ্মাণ আৰু মুখ্যমন্ত্ৰী উন্নত পকীপথ নিৰ্মাণ আঁচনি ৰূপায়ণৰো তেওঁ পৰ্যালোচনা কৰে। বৈঠকত মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱাৰ লগতে শীৰ্ষ প্ৰশাসনীয় বিষয়াসকল উপস্থিত থাকে।

০০০০

প্ৰশ্নকাকত ফাদিল আৰু প্ৰ'ট'কল উলংঘাৰ বাতৰিৰ বাবে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ২৪ ৰ পৰা ২৯ মাৰ্চলৈ হ'বলগীয়া বাকী বিষয়সমূহৰ পৰীক্ষা বাতিল কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে ২৪ মাৰ্চত হ'বলগীয়া অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ বৈঠকত পৰৱৰ্তী ব্যৱস্থা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে। ইপিনে, অসম ৰাজ্যিক স্কুল শিক্ষা পৰিষদে নিৰ্ধাৰিত সময়ৰ পূৰ্বে একাদশ শ্ৰেণীৰ গণিতৰ প্ৰশ্নকাকতৰ পেকেটৰ চীল খোলাৰ বাবে ১০ খন জিলাৰ ১৫ খন ব্যক্তিগত বিদ্যালয়ৰ স্বীকৃতি সাময়িকভাৱে বাতিল কৰিছে। ৰাজ্য চৰকাৰে নিয়ম ভংগৰ বাবে ৩ খন প্ৰাদেশিকৃত বিদ্যালয়ৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰিব। এই সংক্ৰান্তত এজাহাৰ ৰুজু কৰা হৈছে আৰু বিদ্যালয়কেইখনক ২০২৫-২৬ বৰ্ষৰ বাবে একাদশ শ্ৰেণীত নামভৰ্তিৰ পৰা বাৰণ কৰা হৈছে।

০০০০

শ্ৰীভূমি আৰক্ষীয়ে আজি সীমান্তৰে অসমত প্ৰৱেশ কৰাৰ চেষ্টা চলোৱা ৩ জন অনুপ্ৰৱেশকাৰীক আটক কৰে আৰু ঘূৰাই পঠিয়ায়। মুখ্যমন্ত্ৰী ড০  হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম এক্সযোগে এইকথা প্ৰকাশ কৰিছে। অনুপ্ৰৱেশকাৰী কেইজনক ছাজ্জাদ হুছেইন, ছইফুল ইছলাম, মহম্মদ নজমুল হক বুলি চিনাক্ত কৰা হৈছে। চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত অশান্ত পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পাছৰে পৰা অসমৰ পৰা ৩১৫ জনৰো অধিক অনুপ্ৰৱেশকাৰীক ঘূৰাই পঠিওৱা হৈছে আৰু উত্তৰ পূৰ্বাঞ্চলত এহেজাৰ ৮৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-বাংলাদেশ সীমান্তৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০

পৰিবেশ প্ৰদূষণ ৰোধ কৰি ইয়াৰ সংৰক্ষণৰ বাবে প্ৰতিগৰাকী ব্যক্তি, চৰকাৰ, প্ৰশাসন আৰু দল, সংগঠনে একগোট হৈ প্ৰয়াস চলাব লাগিব। আজি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত পৰিবেশ কৰ্মী মুবিনা আখতাৰ আৰু মেডিচিন বিভাগৰ বিশিষ্ট চিকিৎসক ডাঃ ৰুণজুন টেৰণপীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয় যে, বায়ু, পানী, পোহৰ আৰু শব্দকে ধৰি পৰিবেশৰ প্ৰতিটো উপাদানকে প্ৰদূষণে ক্ষতি কৰে আৰু ইয়াৰ ফলত মানৱ জাতিকে ধৰি সমগ্ৰ জীৱকূলৰ জীৱন ধাৰণৰ শৈলীত নেতিবাচক প্ৰভাৱ পৰে। ইয়াৰ ফলতেই বিভিন্ন শাৰিৰীক, মানসিক বিসংগতিয়ে দেখা দিয়ে। এনেধৰণৰ সমস্যাসমূহ ৰোধ কৰিবলৈ হলে পৰিবেশ সুস্থ কৰি ৰখাৰ বাবে প্ৰতিজনে সচেতন হৈ নিজৰ দায়িত্ব পালন কৰিব লাগিব বুলি তেওঁলোকে প্ৰকাশ কৰে। বিশেষকৈ শিশুসকলৰ মাজত সৰুৰে পৰাই স্বাস্থ্যকৰ আৰু পৰিবেশতন্ত্ৰৰ বাবে প্ৰয়োজনীয় অভ্যাস গঢ়ি তুলিবলৈ তেওঁলোকে আহ্বান জনায়।

০০০০

মন্ত্ৰী পীযুষ হাজৰিকাই আজি তিনিচুকীয়া জিলাৰ হলৌ ক্ষেত্ৰ বাৰেকুৰীত উপস্থিত হৈ বিলুপ্ত প্ৰায় হলৌ বান্দৰৰ সংৰক্ষণ কাৰ্যৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে বাৰেকুৰীবাসীয়ে প্ৰকৃতি প্ৰেম আৰু জীৱজন্তু প্ৰেমৰ অনন্য নিদৰ্শন দাঙি ধৰি ৰাজ্যৰ অন্যান্য অঞ্চলসমূহতো ৰাইজক এনে আদৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্মৰ্তব্য যে বাৰেকুৰী হলৌ ক্ষেত্ৰৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতত প্ৰকাশ কৰাৰ পাছত অসম চৰকাৰে অঞ্চলটোৰ ৰাইজক অসম গৌৰৱ সন্মানেৰে বিভূষিত কৰিছে। মন্ত্ৰী শ্ৰী হাজৰিকাই মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ জৰিয়তে অঞ্চলটোৰ উন্নয়নৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়েও ভ্ৰমণ কালত সদৰি কৰে।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী ঠাকুৰাণবাৰী আৰু চতিমাৰীত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰিছে। আৰক্ষীয়ে দুটা পৃথক অভিযানত জব্দ কৰা এই টেবলেটসমূহৰ মূল্য প্ৰায় ২ কোটি টকা বুলি অনুমান কৰিছে।

০০০০

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যৰ কাৰ্যালয়ৰ বাকৰিত আজিৰে পৰা দুদিনীয়াকৈ কেন্সাৰ কেয়াৰ ইণ্ডিয়াৰ দ্বাবিংশ ৰাষ্ট্ৰীয় অধিৱেশন অনুষ্ঠিত হৈছে। দেশৰ বিভিন্ন ৰাজ্যৰ শতাধিক কৰ্কট ৰোগৰ বিশেষজ্ঞই অংশ লোৱা এই অধিৱেশন আজি মন্ত্ৰী কৌশিক ৰায়ে উদ্বোধন কৰে। অনুষ্ঠানত কেন্সাৰ কেয়াৰ ইণ্ডিয়াৰ অধ্যক্ষ তথা মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই কৰ্কট ৰোগীসকলৰ বাবে কেন্সাৰ কেয়াৰ ইণ্ডিয়াই কৰি অহা কাম-কাজৰ বিষয়ে ব্যাখ্যা কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰমন মেগচেচে বঁটা বিজয়ী, পদ্মশ্ৰী সন্মানেৰে সন্মানিত বিশিষ্ট চিকিৎসক ডাঃ ৰবি কান্নানে প্ৰাথমিক পৰ্যায়ৰ পৰা কৰ্কট ৰোগৰ সজাগতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণৰ প্ৰথমখন খেলত কোলকাতা নাইট ৰাইডাৰ্ছে-ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰক জয়ৰ বাবে ১৭৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত কোলকাতা নাইট

ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৭৬ ৰাণ কৰে। কোলকাতাৰ হৈ আজিঙ্ক্য ৰাহানে ৫৬, সুনীল নাৰায়ণে ৪৪ ৰাণ কৰে।

০০০০

অসম আন্দোলনৰ অগ্ৰণী নেতা, বিশিষ্ট সমাজকৰ্মী বজালীৰ বালাপাৰা নিৱাসী দেৱেশ্বৰ ডেকাৰ যোৱা নিশা দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি যকৃত ৰোগত আক্ৰান্ত হৈ থকা ডেকাৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৫ বছৰ। ড° বি আৰ আম্বেদকাৰ বঁটাৰে সন্মানিত  ডেকাই এগৰাকী অনাতাঁৰ শিল্পী হিচাপেও প্ৰশংসা লাভ কৰিছিল। তেওঁৰ মৃত্যুত বিভিন্ন দল, সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ